**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-OCT-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
---------------------

১। ৰাজ্যৰ প্ৰায় চাৰি লাখ চাহ্ জনগোষ্ঠীৰ পৰিয়ালক মাটিৰ পট্টা প্ৰদানকে ধৰি বহুকেইটা গুৰুত্বপূৰ্ণ বিষয়ত ৰাজ্যিক মন্ত্ৰীসভাৰ সিদ্ধান্ত গ্ৰহণ।

২। জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত ছিংগাপুৰত চাৰি দিনীয়া তদন্ত সামৰি বিশেষ তদন্তকাৰী গোটৰ দুগৰাকী বিষয়া কালি গুৱাহাটীত উপস্থিত।

৩। জুবিন গাৰ্গৰ সমাধিস্থলত দৰ্শনাৰ্থীৰ প্ৰৱেশৰ ক্ষেত্ৰত কামৰূপ জিলা দণ্ডাধীশৰ নিৰ্দেশনা জাৰি।

৪। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আজি শিলচৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত ২০৮ খন বিচনাযুক্ত ছুপাৰ স্পেচিয়েলিটী চিকিৎসালয়ৰ আধাৰশিলা স্থাপন।

**আৰু**

৫। আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত নিউজিলেণ্ডক ৫৩ ৰানত পৰাস্ত কৰি ভাৰতৰ ছেমি ফাইনেলত প্ৰৱেশ।

oooooo

ৰাজ্যৰ প্ৰায় চাৰি লাখ চাহ জনগোষ্ঠীৰ পৰিয়ালক মাটিৰ পট্টা প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত মন্ত্ৰী সভাৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকৰ পাছত এখন সংবাদমেলত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে চাহ্ জনগোষ্ঠীৰ লোকসকলক বাগিচাৰ লাইনৰ মাটিৰ পট্টা দিয়াৰ সন্দৰ্ভত বিতংভাৱে আলোচনা কৰি এই সম্বন্ধীয় প্ৰস্তাৱত নীতিগতভাৱে অনুমোদন জনোৱা হয়। কাইলৈ জিলা আয়ুক্তসকলৰ সৈতে এই সন্দৰ্ভত বৈঠক অনুষ্ঠিত হ'ব বুলি মুখ্যমন্ত্ৰী শৰ্মাই জানিবলৈ দিয়ে। মন্ত্ৰীসভাই মৰাণ, মটক আৰু চাহ্ জনগোষ্ঠীৰ লোকসকলক জনসংখ্যা নীতিৰ আওতাৰ পৰা আঁতৰাই ৰখাৰ সিদ্ধান্তত অনুমোদন জনায়। জনসংখ্যা নীতি অনুসৰি দুটাতকৈ অধিক সন্তান থকা লোকে চৰকাৰী চাকৰি লাভ কৰিব নোৱাৰে অথবা পঞ্চায়ত নিৰ্বাচন খেলিব নোৱাৰে। মন্ত্ৰীসভাৰ বৈঠকত চাহ্ শ্ৰমিক আৰু মৰাণ, মটক সম্প্ৰদায়ৰ লোকসকলক এই নীতিৰ পৰা ৰেহাই দিয়াৰ সিদ্ধান্ত লোৱা হয় বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

***(বাইট ঃ মুখ্যমন্ত্ৰী)***

ৰাজ্যিক মন্ত্ৰীসভাই শিক্ষকৰ কল্যাণ সুনিশ্চিত কৰণৰ বাবে অসম প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয় শিক্ষক (নিযুক্তি আৰু বদলি নিয়ন্ত্ৰণ) সংশোধনী বিধেয়ক ২০২৫ত অনুমোদন জনায়। এই সংশোধনীৰ অধীনত ১২ হাজাৰ ঠিকাভিত্তিক শিক্ষকক নিয়মীয়াকৰণৰ বাবে আবেদনৰ অনুমতি প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰীগৰাকীয়ে এই সন্দৰ্ভত কয়, যে বিশেষ নিযুক্তি অভিযানৰ জৰিয়তে সমগ্ৰ শিক্ষা অভিযান, অসমৰ অধীনত কৰ্মৰত শিক্ষকসকলৰ চৰকাৰী চাকৰি নিয়মীয়াকৰণৰ সীমা পূৰ্বৰ পাঁচ বছৰৰ পৰা তিনি বছৰলৈ হ্ৰাস কৰাৰ সিদ্ধান্ত লোৱা হৈছে। ইয়াৰ ফলত সমগ্ৰ শিক্ষা অভিযানত কৰ্মৰত প্ৰায় তিনি হাজাৰ শিক্ষক উপকৃত হ'ব বুলি ড০ শৰ্মাই প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে পুৰুষ

শিক্ষকৰ বদলিৰ ক্ষেত্ৰত কৰ্মস্থলীত সম্পূৰ্ণ কৰিবলগীয়া পূৰ্বৰ ১০ বছৰৰ সময়সীমা এতিয়াৰে পৰা সাত বছৰলৈ হ্ৰাস কৰা হৈছে। ইপিনে, আছাম পেট্ৰ'কেমিকেলছ লিমিটেডৰ দৈনিক ৫০০ টন সামৰ্থৰ মিথালন প্ৰকল্প আৰু ২০০ টন সামৰ্থৰ ফৰমেলিন প্ৰকল্পৰ ব্যয় দুহেজাৰ ২৬৭ দশমিক ২-২ কোটি টকালৈ বৃদ্ধিত অনুমোদন জনোৱা হৈছে। ১৯৮৩ চনৰ নেলী হত্যাকাণ্ডৰ সন্দৰ্ভতো মন্ত্ৰীসভাই গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। ড০ শৰ্মাই কয়, যে নেলীত সংঘটিত নৰসংহাৰৰ ঘটনাৰ প্ৰেক্ষাপটত গঠন কৰা তিৱাৰী আয়োগৰ প্ৰতিবেদন অহা নৱেম্বৰত হ'বলগীয়া অসম বিধানসভাৰ অধিৱেশনত দাখিল কৰা হ'ব।

০০০০০০

জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত তদন্তৰ উদ্দেশ্যে ছিংগাপুৰলৈ যোৱা অসম আৰক্ষীৰ বিশেষ তদন্তকাৰী গোট-SITৰ দুগৰাকী বিষয়া মুন্নাপ্ৰসাদ গুপ্তা আৰু তৰুণ গোৱেল কালি গুৱাহাটীলৈ উভতি আহে। যোৱা ২০ অক্টোবৰত মুন্নাপ্ৰসাদ গুপ্তাৰ নেতৃত্বত ছিংগাপুৰলৈ ৰাওনা হোৱা দুজনীয়া দলটোৱে চাৰিদিনীয়া তদন্ত সামৰি জুবিন গাৰ্গৰ মৃত্যুক লৈ বহু গুৰুত্বপূৰ্ণ তথ্য প্ৰমাণ লাভ কৰিবলৈ সমৰ্থ হোৱা বুলি সদৰি কৰিছে। SIT-ৰ দলটোৱে শিল্পীগৰাকীৰ মৃত্যুৰ তদন্তৰ অগ্ৰগতি সন্দৰ্ভত ছিংগাপুৰ আৰক্ষীৰ সৈতে ডেৰঘণ্টীয়া আনুষ্ঠানিক বৈঠকত মিলিত হোৱাৰ লগতে ছিংগাপুৰ আৰক্ষীৰ সৈতে যৌথভাৱে জুবিন গাৰ্গৰ মৃত্যুৰে সম্পৰ্ক থকা কেইবাটাও স্থান পৰিদৰ্শন কৰে। লগতে ছিংগাপুৰৰ নাগৰিকত্ব থকাৰ অজুহাতত অসমলৈ আহি জেৰাৰ সন্মুখীন হোৱাৰ পৰা বিৰত থকা নলবাৰীৰ প্ৰবাসী অসমীয়া ৱাজিদ আহমেদকো SITয়ে ছিংগাপুৰতে পৰোক্ষভাৱে জেৰা কৰে। SITৰ বিষয়া দুগৰাকীৰ উপস্থিতিত ছিংগাপুৰ আৰক্ষীয়ে ৱাজিদ আহমেদক জেৰা কৰে বুলি জানিব পৰা গৈছে। তিনিমাহৰ ভিতৰত ছিংগাপুৰ আৰক্ষীয়ে তদন্ত সম্পূৰ্ণ কৰি সকলো তথ্য ভাৰতীয় উচ্চায়ুক্তৰ সৈতে ভাগ বটোৱাৰা কৰিব বুলিও ছিংগাপুৰ আৰক্ষী বাহিনীৰ আয়ুক্ত হুং উইল টেকে SITৰ মুৰব্বী মুন্না প্ৰসাদ গুপ্তাক  আশ্বাস প্ৰদান কৰে। তদন্ত সন্দৰ্ভত সবিশেষ জনাই SITৰ মুৰব্বী শ্ৰী গুপ্তাই আজি চি আই ডিৰ কাৰ্যালয়ত এখন সংবাদমেল সম্বোধন কৰিব বুলি জানিবলৈ দিয়ে।

০০০০০০

জুবিন গাৰ্গৰ সমাধিক্ষেত্ৰৰ পৱিত্ৰতা ৰক্ষাৰ বাবে কামৰূপ জিলা দণ্ডাধীশে কেতবোৰ নিৰ্দেশনা জাৰি কৰিছে। বিভিন্ন পক্ষ আৰু স্থানীয় ৰাইজৰ সৈতে আলোচনাৰ পাছত জাৰি কৰা নিৰ্দেশনা অনুসৰি জুবিন গাৰ্গৰ সোণাপুৰৰ কমাৰকুছিত থকা সমাধিস্থলীত দৈনিক পুৱা ৬ বজাৰ পৰা নিশা ১০ বজালৈকে দৰ্শনাৰ্থীয়ে প্ৰৱেশ কৰি প্ৰিয় শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাব পাৰিব। এই নিৰ্ধাৰিত সময়ৰ বাহিৰে আন সময়ত কোনো লোকে সমাধিক্ষেত্ৰত প্ৰৱেশ কৰিব নোৱাৰিব। একেদৰে সুৰাসক্ত বা নিচাগ্ৰস্ত লোকে সমাধিক্ষেত্ৰৰ চৌহদৰ ভিতৰত প্ৰৱেশ কৰিব নোৱাৰিব। সমাধিক্ষেত্ৰৰ আশে-পাশে সুৰা সেৱন আৰু বিতৰণৰ ক্ষেত্ৰতো কঠোৰভাৱে নিষেধাজ্ঞা জাৰি কৰা হৈছে।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজিৰেপৰা দুদিনীয়া কাৰ্যসূচীৰে কাছাৰ আৰু শ্ৰীভূমি জিলা ভ্ৰমণ কৰি কেইবাটাও উন্নয়নমূলক কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীয়ে আজি শ্ৰীভূমি জিলাৰ ৰামকৃষ্ণ নগৰত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত আত্মসহায়ক গোটৰ মহিলাসকলক চেক বিতৰণ কৰিব। মহিলাসকলক আৰ্থিকভাৱে স্বাৱলম্বী কৰি তোলাৰ লগতে আত্মনিৰ্ভৰশীল আৰু উদ্যোগী মনোভাৱেৰে গঢ়ি তোলাৰ লক্ষ্যৰে এই কাৰ্যসূচী চৰকাৰে গ্ৰহণ কৰিছে। শিলচৰৰ পুলিচ পেৰেড গ্ৰাউণ্ডতো মুখ্যমন্ত্ৰীয়ে দুপৰীয়াৰ ভাগত শিলচৰ বিধানসভা সমষ্টিৰ ১৩ হাজাৰতকৈও অধিক আত্মসহায়ক গোটৰ মহিলাক চেক প্ৰদান কৰিব। মুখ্যমন্ত্ৰীয়ে বিয়লি শিলচৰ চিকিৎসা মহাবিদ্যালয় হাস্পতাল পৰিদৰ্শন কৰি ২০৮ খন বিচনাযুক্ত প্ৰস্তাৱিত ছুপাৰ স্পেচিয়েলিটী চিকিৎসালয়ৰ আধাৰশিলা স্থাপন কৰিব। এই ছুপাৰ স্পেচিয়েলিটী হাস্পতালখন ২৯৫ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা হ'ব। এই অত্যাধুনিক

চিকিৎসা কেন্দ্ৰই বৰাক উপত্যকাৰ স্বাস্থ্য সেৱাৰ মান উন্নত কৰাৰ উপৰি উজনি অসম আৰু চুবুৰীয়া ৰাজ্যৰ ৰোগীসকলৰ বাবে বিশেষ চিকিৎসা সেৱা নিশ্চিত কৰিব বুলি আশা কৰা হৈছে।

মুখ্যমন্ত্ৰীয়ে সন্ধিয়া শিলচৰ লোকসভা সমষ্টিৰ বিজেপিৰ বুথ সভাপতি আৰু শক্তিকেন্দ্ৰ বৈঠকতো অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীয়ে কাইলৈ পুৱা লক্ষীপুৰ বিধানসভা সমষ্টিৰ বিন্নাকান্দি মণ্ডল বিজেপিৰ কাৰ্যালয় আৰু লক্ষীপুৰ মণ্ডল বিজেপিৰ কাৰ্যালয় উদ্বোধন কৰিব। শ্ৰী শৰ্মাই কাইলৈ লাবক খেলপথাৰত লক্ষীপুৰ বিধানসভা সমষ্টিৰ ১৯ হাজাৰৰো অধিক মহিলাক মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ চেকসমূহ বিতৰণ কৰিব।

০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০১ দশমিক ৬ মেগাহাৰ্টজত শুনিছে। মধ্য অসম আৰু পাৰ্বত্য জিলা দুখনৰ শ্ৰোতাসকলে আমাৰ এই বাতৰি এফ এম বেণ্ডৰ ১০২ দশমিক ৭ মেগা হাৰ্টজত আকাশবাণী নগাঁও কেন্দ্ৰৰ পৰা, ১০০ দশমিক ২ মেগা হাৰ্টজত আকাশবাণী হাফলং কেন্দ্ৰৰ পৰা, ১০০ দশমিক ৯ মেগা হাৰ্টজত আকাশবাণী ডিফু কেন্দ্ৰৰ পৰা, ১০১ দশমিক ৫ মেগা হাৰ্টজত লামডিং, ১০০ দশমিক ৬ মেগা হাৰ্টজত বকলীয়া আৰু ১০২ দশমিক ১ মেগা হাৰ্টজত সৰিয়হজান ৰিলে কেন্দ্ৰৰ পৰা শুনিবলৈ পাইছে।

এই বাতৰি আমাৰ **ফেচবুক পেজ-এ আই আৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙৰ** লগতে নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০

১৯৮৫ চনৰ ২৪ মাৰ্চত তেতিয়াৰ মহেন্দ্ৰ মোহন চৌধুৰী চিকিৎসালয়ৰ পুৰণি প্ৰসূতি কক্ষ এটাক উন্নীত কৰা হৈছিল এটা টেলিভিছনৰ ষ্টুডিঅ'লৈ। এয়াই আছিল গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ আৰম্ভণি। অসম তথা উত্তৰ-পূৰ্বাঞ্চলত প্ৰথমবাৰৰ বাবে টেলিভিছনৰ বাতৰি প্ৰচাৰ আৰম্ভ হৈছিল। বহু ঘটনাৰ সাক্ষী এই গুৱাহাটী দূৰদৰ্শনৰ বাতৰি বিভাগ।

(প্ৰম')

কাইলৈ নিশা ৮ বাজি দুই মিনিটৰ দৃষ্টিপাত অনুষ্ঠানৰো বিষয় এই গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ বাতৰি বিভাগ। ইয়াত লগ পাব বাতৰি বিভাগৰ জন্ম লগ্নৰ পৰা জড়িত কেইগৰাকীমান বিষয়া-কৰ্মচাৰী আৰু পৰিৱেশকক। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

ধেমাজি জিলাৰ গোগামুখত কালি মিচিং ক্ৰীড়া মহোৎসৱৰ তৃতীয় সংস্কৰণ আৰম্ভ হয়। মিচিং জনগোষ্ঠীৰ পিছপৰা গ্ৰামাঞ্চলৰ প্ৰতিভাবান খেলুৱৈসকলক ৰাজ্যিক-আন্তঃৰাজ্যিক পৰ্যায়ৰ লগতে বিশ্ব দৰবাৰতো এখন মঞ্চ প্ৰদানৰ উদ্দেশ্যেৰে আয়োজিত এই ক্ৰীড়া মহোৎসৱত ৰাজ্যৰ ১৭ খন জিলাৰ ৩ হাজাৰ নিৰ্বাচিত খেলুৱৈয়ে বিভিন্ন ইভেণ্টত অংশ ল'ব। ক্ৰীড়া মহোৎসৱৰ শুভাৰম্ভণি অনুষ্ঠানত কালি প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি তিনিটা নাহৰ গছৰ পুলি ৰোপণ কৰা হয়। ধেমাজি জিলা আয়ুক্ত ৰাহুল সুৰেশ জাৰিৰে গেমছ ভিলেজৰ আদৰণি তোৰণ মুকলি কৰে। শুভাৰম্ভণি অনুষ্ঠানত মন্ত্ৰী বিমল বৰা, লোকসভাৰ সাংসদ প্ৰদান বৰুৱা, বিধায়ক মানব ডেকাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। মহোৎসৱত ৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন খেলুৱৈ অম্লান বৰগোহাঁই আৰু ৰুণজুন পেগু মুখ্য অতিথি হিচাপে উপস্থিত থাকে। চাৰিদিনীয়া কাৰ্যসূচীৰে আয়োজিত প্ৰতিযোগিতাখন গোগামুখ মহাবিদ্যালয় খেলপথাৰ, গোগামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়, জংকী পানৈ উচ্চ মাধ্যমিক বিদ্যালয় আৰু গোগামুখ

বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেল-পথাৰত অনুষ্ঠিত হ'ব। মিচিং জাতীয় সংগঠন টি এম পি কেৰ উদ্যোগত আৰু মিচিং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য পৃষ্ঠপোষকতাত অনুষ্ঠিত এই মহোৎসৱৰ পৰহিলৈ সামৰণি পৰিব।

০০০০০০

পবিতৰা অভয়াৰণ্য কালি ২০২৫-২৬ পৰ্যটন বৰ্ষৰ বাবে মুকলি কৰা হয়। বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে অভয়াৰণ্যখন আনুষ্ঠানিকভাৱে মুকলি কৰে। অভয়াৰণ্যখন মুকলি কৰাৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী পাটোৱাৰীয়ে এইবাৰৰ পৰ্যটন বৰ্ষত পবিতৰালৈ পূৰ্বৰ দৰে পৰ্যটকৰ আগমন হ'ব বুলি আশা প্ৰকাশ কৰে। তেওঁ লগতে পবিতৰাৰ বন্যপ্ৰণী আৰু উদ্ভিদ প্ৰজাতিৰ সংৰক্ষণৰ বাবে গ্ৰহণ কৰা প্ৰকল্প স্থানীয় ৰাইজৰ সহযোগিতাৰে ৰূপায়ণ কৰা হ'ব বুলি উল্লেখ কৰে।

পৰ্যটকসকলে এতিয়াৰে পৰা অভয়াৰণ্যখনত জীপ আৰু হাতী চাফাৰি কৰিব পাৰিব।

০০০০০০

আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা নবী মুম্বাইৰ ডি ৱাই পাটিল ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ভাৰতে নিউজিলেণ্ডক ৫৩ ৰানত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰে। ভাৰতে প্ৰথমে বেট ধৰি অপেনাৰ প্ৰতীকা ৰাৱল আৰু স্মৃতি মান্ধানাৰ শতকৰ সহায়ত ৪৯ অভাৰত তিনিটা উইকেট হেৰুৱাই ৩৪০ ৰানৰ বৃহৎ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে। বৰষুণৰ বাবে খেলখন ৪৯ অভাৰতে সীমিত কৰা হয়। মান্ধানাই ১০৯ আৰু ৰাৱলে ১২২ ৰান কৰে। নিউজিলেণ্ডক ডাক ৱৰ্থ লুইচ পদ্ধতিৰে ৪৪ অভাৰত ৩২৫ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়া হয়। নিউজিলেণ্ডে নিৰ্ধাৰিত অভাৰত ৮ উইকেটৰ বিনিময়ত ২৭১ ৰানহে কৰিবলৈ সমৰ্থ হয়। দলৰ হৈ ব্ৰুক হেলিডে সৰ্বাধিক ৮১ ৰান কৰে।

ভাৰতে এই জয়ৰ সুবাদত ৬ পইণ্ট লাভ কৰি অষ্ট্ৰেলিয়া, ইংলেণ্ড আৰু দক্ষিণ আফ্ৰিকাৰ সৈতে ছেমি ফাইনেলত প্ৰৱেশ কৰে।

০০০০০০

## NPR/RNU (24-10-2025)

এডভাণ্টেজ আছামৰ চমক দিয়া বিজেপিৰ আমোলত বিগত ৫ বছৰৰ ভয়াৱহ ছবি উন্মোচন কৰি **অসমীয়া প্ৰতিদিন** কাকতৰ আজিৰ মুখ্য বাতৰিৰ শিৰোনাম 'ৰাজ্যত বন্ধ ২ লাখ ১০ হাজাৰ ক্ষুদ্ৰ তথা মজলীয়া উদ্যোগ'। কৰ্ম সংস্থাপন হেৰুৱালে তিনি লক্ষাধিক লোকে। **আমাৰ অসম** কাকতে জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত ছিংগাপুৰত চাৰিদিনীয়া তদন্ত সামৰি দুজনীয়া দলটো অসমলৈ উভতি অহাৰ বাতৰিক 'এছ আই টিৰ দুই বিষয়া উভতিল, আজি সবিশেষ' শিৰোনামেৰে প্ৰকাশ কৰিছে। 'ঢেকীয়াজুলিত লক্ষাধিকৰ গণ হুংকাৰ' শিৰোনামেৰে **দৈনিক অসম** কাকতে চাহ জনগোষ্ঠীয় ৰাইজে জনজাতিকৰণৰ দাবীত হাতে হাতে বেনাৰ, প্লেকাৰ্ড লৈ ওলাই অহা বাতৰিক আলোকচিত্ৰসহ প্ৰথম পৃষ্ঠাত স্থান দিছে। **অসমীয়া খবৰ** কাকতে 'জুয়ে পোৱা ৮৩-ৰ নেলীৰ প্ৰতিবেদন সদনত' শিৰোনামেৰে সমাগত শীতকালীন অধিৱেশনৰ প্ৰথম দিনাই নেলী হত্যাকাণ্ডৰ তদন্ত প্ৰতিবেদন ৰাজহুৱা কৰাৰ বিষয়ে বিস্তৃত বাতৰি পৰিৱেশন কৰিছে। সোণাপুৰৰ জুবিন ক্ষেত্ৰ দৰ্শনৰ বাবে প্ৰশাসনে সময়সীমা ধাৰ্য কৰাৰ বাতৰিক **দৈনিক অগ্ৰদূত** কাকতৰ লগতে প্ৰতিখন কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। **নিয়মীয়া বাৰ্তা** কাকতে ৰাজ্যিক কেবিনেটত সৰ্বশিক্ষাৰ শিক্ষকৰ নিয়মীয়াকৰণৰ সীমা ৫ বছৰৰ পৰা ৩ বছৰলৈ হ্ৰাস কৰাৰ সিদ্ধান্তৰ বাতৰি প্ৰথম পৃষ্ঠাৰ অন্যতম গুৰুত্বপূৰ্ণ বাতৰি হিচাপে পৰিৱেশন কৰিছে। **দি আছাম ট্ৰিবিউন** কাকতে ৰাজ্যজুৰি সদৌ অসম ছাত্ৰ সন্থাই জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায় বিচাৰি আয়োজন কৰা সমদলত ৰাইজে সদলবলে অংশগ্ৰহণ কৰাৰ বাতৰিক প্ৰধান বাতৰিৰ স্থান দিছে। এই সন্দৰ্ভত **দৈনিক জনমভূমি** কাকতৰ শিৰোনাম 'ন্যায় আন্দোলনত উত্তাল ৰাজ্য'। চাহ জনগোষ্ঠীৰ চাৰি লাখ পৰিয়ালে

মাটিৰ পট্টা লাভ কৰাৰ বিষয়ে কেবিনেটত গ্ৰহণ কৰা সিদ্ধান্তৰ বাতৰিক **দা ছেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰাৰ লগতে বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত মেঘালয়, মণিপুৰ আৰু মিজোৰামত ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ লগতে অৰুণাচল প্ৰদেশ, অসম, ত্ৰিপুৰা আৰু নাগালেণ্ডৰ বতৰ শুকান হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত